# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 19-04-2025 **Time :** 0755Hrs.

## Assamese Morning Bulletin

সমাগত পঞ্চায়ত নিৰ্বাচনত জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ মুঠ ৩৪৮ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাটো নিশ্চিত হৈছে। কালি মনোনয়ন প্ৰত্যাহাৰৰ সময়সীমা উকলি যোৱাৰ পিছতে এন ডি এ ৩৭ খন জিলা পৰিষদৰ সমষ্টি আৰু ৩০১ টা আঞ্চলিক পঞ্চায়ত সমষ্টিত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। ৩৭ খন জিলা পৰিষদৰ ভিতৰত ৩৫ খনত বিজেপিয়ে আৰু দুখনত অসম গণ পৰিষদে জয়লাভ কৰে। আনহাতে ৰাজ্যৰ মুঠ দুহেজাৰ ১৯২ টা আঞ্চলিক পৰিষদৰ সমষ্টিৰ ২৫৯ টা বিজেপিয়ে, ২৯ টা অসম গণ পৰিষদে আৰু ১৩ টা ৰাভা যৌথ মঞ্চই দখল কৰিছে।

ইতিমধ্যে অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। নগাওঁ জিলাৰ ২৭ খন জিলা পৰিষদৰ সদস্য পদৰ বাবে ৬৬ গৰাকী ১৬৪ খন আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ বাবে ৩৫৯ গৰাকী আৰু ১৬৪ খন গাওঁ পঞ্চায়তৰ এহেজাৰ ৬৪০ টা ৱাৰ্ডৰ সদস্য পদৰ বাবে ৩ হেজাৰ ৯৮৩ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছে। লগতে পঞ্চায়ত নিৰ্বাচনৰ প্ৰতিদ্বন্দী প্ৰাৰ্থীসকলৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হৈছে। জিলাখনৰ এহেজাৰ ৮২১ টা ভোটগ্ৰহণ কেন্দ্ৰত অহা ৭ মে'ত পুৱা চাৰে সাত বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈকে দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ কৰা হ'ব। ইয়াৰে এশটা ভোটগ্ৰহণ কেন্দ্ৰ মহিলা বিষয়াৰ দ্বাৰা পৰিচালিত হ'ব। জিলাখনত ১৭০ গৰাকী চেক্টৰ বিষয়া, ৪৩ গৰাকী জ'নেল বিষয়া নিয়োগ কৰাৰ লগতে ৭ হাজাৰ ৫৭২ গৰাকী অন্যান্য পুৰুষ নিৰ্বাচনী বিষয়া নিয়োগ কৰা হৈছে। ইপিনে, মহিলা নিৰ্বাচনী বিষয়াৰ সংখ্যা হৈছে সৰ্বমুঠ ৪৪০ গৰাকী। পঞ্চায়ত নিৰ্বাচনৰ বাবে নগাওঁ জিলাৰ মুঠ ভোটাৰৰ সংখ্যা হৈছে ১৩ লাখ ৯১ হাজাৰ ৪৮৫ গৰাকী।

তিনিচুকীয়া জিলাৰ পঞ্চায়ত নিৰ্বাচন পৰ্যবেক্ষণৰ বাবে নিয়োজিত ৩ গৰাকী পৰ্যবেক্ষকৰ উপস্থিতিত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত স্বপ্নীল পালৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত ৰাজ্যিক নিৰ্বাচন আয়োগে নিযুক্তি দিয়া পৰ্যবেক্ষক তিনিগৰাকীও অংশগ্ৰহণ কৰি নিৰ্বাচন সন্দৰ্ভত বুজ লয়। তিনিচুকীয়া জিলাত পঞ্চায়ত নিৰ্বাচন উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নিৰ্বাচন সংক্ৰান্তীয় দলীয় কাম-কাজ সম্পৰ্কে আলোচনা কৰে। নিৰ্বাচনৰ প্ৰস্তুতি, প্ৰচাৰ আৰু সাংগঠনিক দিশ সন্দৰ্ভত আলোচনা কৰা হয়। সভাত মন্ত্ৰী প্ৰশান্ত ফুকন, বিধায়ক সঞ্জয় কিষাণ, ভাস্কৰ শৰ্মা, সুৰেণ ফুকনকে ধৰি দলৰ জ্যেষ্ঠ নেতা তথা তিনিচুকীয়া জিলাৰ দলীয় কৰ্মকৰ্তাসকল উপস্থিত থাকে।

ডিব্ৰুগড়ত পঞ্চায়ত নিৰ্বাচনৰ নিৰ্দেশনাসমূহৰ বিষয়ে চেক্টৰ আৰু জ'নেল বিষয়াসকলৰ এটা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। বিষয়াসকলক ভোটগ্ৰহণ কেন্দ্ৰসমূহ পুনৰ ভালদৰে পৰিদৰ্শন কৰি যাৱতীয় সা-সুবিধা উপলব্ধ আছে নে নাই বুজ লোৱাৰ লগতে নিৰ্বাচনৰ ভোটগ্ৰহণ কেন্দ্ৰ, ভোটাৰ তালিকা সম্পৰ্কীয় যিকোনো সমস্যাৰ উদ্ভৱ হ'লে তাৎক্ষণিকভাৱে জিলা প্ৰশাসনত অৱগত কৰিবলৈ নিৰ্দেশ দিয়া হয়।

ধেমাজি জিলাতো জিলা প্ৰশাসনে নিৰ্বাচনী পৰ্যবেক্ষকৰ উপস্থিতিত পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰা জিলা পৰিষদৰ সদস্য আৰু আঞ্চলিক পঞ্চায়ত সদস্য প্ৰাৰ্থীসকলৰ সৈতে তেওঁলোকৰ নিৰ্বাচনী নিৰীক্ষণ, আৰ্হি আচৰণ বিধি আদি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। হোজাই জিলাত পঞ্চায়ত নিৰ্বাচনৰ বাবে দায়িত্ব দিয়া পৰ্যবেক্ষক দুগৰাকীয়ে ইতিমধ্যে পোলিং ষ্টেছনসমূহ চোৱা চিতা কৰাৰ লগতে সকলো কাম-কাজ নিয়াৰিকৈ আগবাঢ়িছে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি তিনিচুকীয়া নগৰৰ মাজ মজিয়াত এ এছ টি চিৰ সমীপত চুতীয়া উন্নয়ন পৰিষদৰ পুজিৰে নিৰ্মাণ কৰা বীৰাঙ্গনা সতী সাধনীৰ প্ৰতিমুৰ্তি উন্মোচন কৰে। চুতীয়া উন্নয়ন পৰিষদৰ ১২ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা প্ৰতিমুৰ্তিটো উন্মোচন কৰি শ্ৰীসোণোৱালে বীৰাঙ্গনা সতী সাধনীৰ আদৰ্শৰে আমি আগুৱাই যাব লাগিব বুলি মত প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে বুৰঞ্জীৰ পাতত যিবোৰ আত্মবলিদানৰ কাহিনী আছে আৰু যিসকলে মানৱীয় আদৰ্শ জীয়াই ৰাখিবলৈ জীৱনৰ বাটত সৰ্বোচ্চ ত্যাগ কৰিছে তেনে বীৰ-বীৰাংগনাৰ কাহিনীয়ে নৱ প্ৰজন্মৰ লগতে সকলোকে অনুপ্ৰাণিত কৰি আহিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ইতিমধ্যে সতী সাধনীৰ নামত বিশ্ববিদ্যালয় নিৰ্মাণৰ প্ৰসংগও উল্লেখ কৰে।

অনুষ্ঠানত মন্ত্ৰী ৰূপেশ গোৱালা, বিধায়ক সঞ্জয় কিষাণ, বলিন চেতিয়াসহ চুতীয়া উন্নয়ন পৰিষদ, চুতীয়া ছাত্ৰ সন্থা, চুতীয়া জাতীয় সংগঠন আৰু চুতীয়া মহিলা সন্মিলনৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০০

ব্ৰহ্মপুত্ৰৰ তলেৰে নিৰ্মাণ কৰিবলগীয়া গহপুৰ-নুমলীগড় সংযোগী ১৫ দশমিক ৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ দেশৰ দীৰ্ঘতম নদী সুৰংগপথ নিৰ্মাণত আন্তঃমন্ত্ৰ্যালয় সমিতিয়ে সেউজ সংকেত দিছে। কেন্দ্ৰীয় চৰকাৰৰ বিত্ত মন্ত্ৰ্যালয়ৰ অধীনৰ ব্যয় বিভাগৰ সচিবৰ অধ্যক্ষতাত গঠিত পাব্লিক ইনভেষ্টমেণ্ট বোৰ্ডে এপ্ৰোচ পথসহ সুৰংগ নিৰ্মাণত অনুমোদন দিয়াৰ পিছত বিষয়টো শীঘ্ৰেই কেন্দ্ৰীয় কেবিনেটত উত্থাপন হ'ব। এই সুৰংগ নিৰ্মাণৰ বাবে প্ৰয়োজন হোৱা ধনৰ ৮০ শতাংশ পথ পৰিবহন মন্ত্ৰ্যালয়ে আৰু বাকী ২০ শতাংশ ধন প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে বহন কৰিব। যাতায়ত, যোগাযোগ আৰু প্ৰতিৰক্ষাৰ দিশেৰে সমগ্ৰ দেশৰ বাবে এই সুৰংগ পথটো গুৰুত্বপূৰ্ণ বুলি বিবেচিত হ'ব। ১৪ হাজাৰ ৯০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া গহপুৰ-নুমলীগড় সংযোগী চাৰিলেনযুক্ত সুৰংগ পথে যাতায়তৰ সময়ত চাৰে ছয় ঘণ্টাৰ পৰা ৩০ মিনিটলৈ হ্ৰাস কৰিব।

০০০০০০০

**সমাপ্ত**